P-3

জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ৪ ● মঙলবাৰ ● ২১ ভাদ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday September 8, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ প...

...ক্ষণৰ ইতিহাসত অভূতপূৰ্ব সফলতা

বিলুপ্তপ্ৰায় নলগাহৰিৰ ...ৰ পৰা ১৯৪টালৈ বৃদ্ধি

কবিৰ শইকীয়া, ৭ ছেপ্টেম্বৰ ঃ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত অসমলৈ কঢ়িয়াই আনিছে এক অত্যন্ত সুখবৰ। এসময়ত বিলুপ্তিৰ দিশলৈ গতি কৰা বিশ্বৰ আটাইতকৈ ক্ষুদ্ৰতম আৰু বিৰল প্ৰজাতিৰ নলগাহৰি (Pygmy Hog)ৰ সংখ্যা অসমত পূৰ্বৰ মাত্ৰ ৬টাৰ পৰা বৰ্তমান ১৯৪টালৈ বৃদ্ধি পাইছে। এই উল্লেখনীয় সফলতাই কেৱল অসমৰে নহয়, সমগ্ৰ বিশ্বৰ প্ৰকৃতিপ্ৰেমী তথা বিজ্ঞানীসকলক উৎসাহিত কৰি তুলিছে। এসময়ত হিমালয়ৰ পাদদেশৰ সমগ্ৰ অঞ্চলতে দেখিবলৈ পোৱা এই অতি লাজকুৰীয়া আৰু ক্ষুদ্ৰ ৯ পিঠিলৈ

ডিব্ৰুগড়ত শিৱ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানত ড° শশীকান্ত শইকীয়া

ঐক্যৰ পাঠ শিকোৱাৰ কেন্দ্ৰ হ'ব ডাঙৰীয়া থান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ ছেপ্টেম্বৰ ঃ এক ইতিহাস সৃষ্টিৰে কেইবাশ বছৰ পূৰ্বে গঢ়ি উঠা ডিব্ৰুগড় শ্ৰীশ্ৰী কলি আই থান চৌহদত আজি নৱনিৰ্মিত ডাঙৰীয়া থান তথা শিৱ মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা ৯ পিঠিলৈ

শ্ৰদ্ধাস্পদেষু,

অসমৰ চিৰবৰেণ্য ব্যক্তি ভাৰত ৰত্ন ড° ভূপেন হাজৰিকা...
সদৌ অসম ছাত্ৰ সন্থাই সদৌ কামৰূপ (ম) জিলা ছাত্ৰ সন্থা অ...
"উদ্দীপনা" শীৰ্ষক এটি অনুষ্ঠানৰ আয়োজন কৰিছোঁ।

- পুৱা ১০.৩০ বজাত দীঘলীপুখুৰীপাৰৰ ড° ভূপেন হাজ... মুকলি কৰাৰ লগতে সমৱেত লোকে 'মানুহে মানুহৰ বাবে...
- সন্ধিয়া ৬ বজাত "উদ্দীপনা" অনুষ্ঠানত গুৱাহাটী বিশ্ববি... মহোৎসৱৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী, অসমৰ প্ৰতিখন জিলাৰ নিৰ্বাচি... মহানগৰীৰ কেইবাখনো নিৰ্বাচিত মহাবিদ্যালয়ৰ এইবৰ্ষৰ শ্ৰে... দেৱৰ একোটিকৈ গীত পৰিৱেশন কৰিব।
- পুৱা প্ৰতিখন জিলা সদৰত ১০০ গৰাকী লোকৰ দ্বাৰা 'মানু... প্ৰজ্বালন।

প্ৰতিটো অনুষ্ঠানত ৰাইজৰ সহযোগিতা...

ধন্যবাদেৰে—

উৎপল শৰ্মা	বিতোপন শৰ্মা
সভাপতি	সাংস্কৃতিক সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা	সদৌ অসম ছাত্ৰ সন্থা

G/1230/1

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক ধ্ৰুৱজে...

জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

তিতম বছৰ, সংখ্যা ৪ ● মঙলবাৰ ● ২১ ভাদ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday September 8, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

এই পাণবাৰী
ত্বপূৰ্ণ জৈৱ-
ভূমিকা পালন
ান কৰ্তৃপক্ষই
ড'ৰ যথেষ্ট
তৰাই থৈছে
পন কৰিছে।
ৰী জৈৱ-পথ
ভাৱে অন্তৰ্ভুক্ত
। এই বাফাৰ
ীনভাৱে নথি
গাস্বামীয়ে।

..

স্তৱত চৰকাৰৰ
। 'প্ৰধানমন্ত্ৰীয়ে
কেৱল ব্যৰ্থতা
াষ্ট্ৰীয় উদ্যানৰ
াকীয়ে কয় যে
আছে। তেওঁৰ
প্ৰাণী কৰিড'ৰ
াছে। 'এফালে
ণবাৰীত অবৈধ
লি মন্তব্য কৰে
ক্য কৰি গৌৰৱ
গগৈ আচলতে
জেপিৰ বিৰুদ্ধে
বিৰুদ্ধে সঘনাই
ন কৰে গৌৰৱ
চেষ্টা চলিছিল,
ভিতৰত অখিল
বিভিন্ন সময়ত
। ইয়াৰ সুবিধা
যোগ কৰে যে
ৰ্লি কৰাৰ কাম
মূহক একত্ৰিত

উপ-জনজাতি হিচাপে অন্তৰ্ভুক্ত কৰাৰ পথ খোলা থকা বুলি কয়। তেনে কৰিবৰ বাবে অসম চৰকাৰৰ পৰা দেশৰ মহাপঞ্জীয়কে এখন প্ৰতিবেদন বিচাৰে। অসম চৰকাৰে এই প্ৰতিবেদনখন চাৰি বছৰ ধৰি প্ৰেৰণ নকৰা বুলি অভিযোগ কৰে। প্ৰতিবেদন নোপোৱাৰ বাবেই চাৰি বছৰ ধৰি আমৰি কাৰ্বিসকলে অনুসূচিত জনজাতিৰ মৰ্যাদা লাভ নকৰা বুলিও অভিযোগ কৰে। ৰাজ্যৰ জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰীৰ টেবুলত প্ৰতিবেদখন পৰি থকা বুলিও অভিযোগ কৰি শীঘ্ৰে এই প্ৰতিবেদনখন কেন্দ্ৰলৈ প্ৰেৰণ কৰাৰ দাবী কৰে। অন্যথা তীব্ৰ আন্দোলন কৰাৰ হুংকাৰ দিয়ে। ইফালে কাৰ্বি বিদ্ৰোহী সংগঠনসমূহৰ সৈতে চৰকাৰে কৰা শান্তি চুক্তিৰ সময়ত পূৰ্বৰ স্বায়ত্তশাসিত পৰিষদৰ আওতাৰ বাহিৰত থকা কাৰ্বিসকলক লৈ এখন কল্যাণ পৰিষদ গঠন কৰাৰ সিদ্ধান্ত হৈছিল। সেই সিদ্ধান্ত অনুসৰি পৰৱৰ্তী পৰ্যায়ত কাৰ্বি-আমৰি কাৰ্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদ গঠন কৰাৰ বাবে বিধেয়ক প্ৰস্তুত কৰা হয়। কিন্তু এই বিধেয়কখন ৰাজপত্ৰিত অধিসূচনা জাৰি কৰাৰ সময়ত আমৰি কাৰ্বি নামটো কৰ্তন কৰি দিয়া বুলি গুৰুতৰ অভিযোগ কৰে। সেয়ে কাৰ্বি আংলঙৰ বাহিৰত আমৰি কাৰ্বিসকলৰহে অধিকাৰ প্ৰাপ্য। সেয়ে নতুনকৈ গঠন কৰা পৰিষদখন ভংগ কৰি আমৰি কাৰ্বিসকলক এই পৰিষদ প্ৰদান কৰাৰ দাবী কৰে। নতুন পৰিষদখন গঠন কৰিবৰ বাবে আমৰি কাৰ্বি উন্নয়ন পৰিষদখন ভংগ কৰি দিয়া হৈছিল। কিন্তু তেওঁলোকক মৰ্যাদা প্ৰদান নকৰাত এতিয়া স্বায়ত্তশাসিত পৰিষদৰ ক্ষমতা আৰু পুঁজিয়ে পুনৰ আমৰি কাৰ্বি উন্নয়ন পৰিষদ ঘূৰাই দিয়াৰ দাবীও কৰে।

তিনিচুকীয়াত ছগৰাকী...

নীলাক্ষি দত্ত আৰু বিদ্যা ভাৰতী ইণ্টাৰনেশ্যনেল স্কুলৰ সহকাৰী শিক্ষক কমলেশ প্ৰসাদক সম্বৰ্ধনা জ্ঞাপন কৰে। জুৱাৰ তৰফৰ পৰা শিক্ষকসকলৰ ত্যাগ আৰু সমাজ গঠনত তেওঁলোকৰ অৱদানক স্মৰণ কৰি প্ৰতিগৰাকী শিক্ষককে ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু কলমেৰে সন্মান জনোৱা হয়। জুৱাৰ সাধাৰণ সম্পাদক ৰাণাদ্বীপ দুৱৰাই আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া যোগেশ বৰুৱা। তেওঁ ভাষণত শিক্ষক কেৱল এজন ব্যক্তি নহয়, তেওঁ হৈছে এখন সমাজৰ নিৰ্মাতা বুলি উল্লেখ কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিশান, বিদ্যা ভাৰতী ইণ্টাৰনেশ্যনেল স্কুলৰ অধ্যক্ষ ৰাজা ৰাম প্ৰসাদ, সভাপতি জগদীশ গুপ্তা, জুৱাৰ উপদেষ্টা অখিল চন্দ্ৰ বৰুৱাৰ লগতে জিলাখনৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিধায়ক সঞ্জয় কিশানে ভাষণত জুৱাৰ এই পদক্ষেপক এক মহৎ পদক্ষেপ বুলি অভিহিত কৰে। অনুষ্ঠানত বিদ্যা ভাৰতী ইণ্টাৰনেশ্যনেল স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সমবেত সংগীত, নৃত্য, কৌতুক আদি পৰিৱেশন কৰে। ইয়াৰ উপৰি সম্বৰ্ধিত শিক্ষক অমৃত ৰাজখোৱাই শিক্ষক দিৱস উপলক্ষে স্বৰচিত গীত আৰু কবিতা পাঠ কৰে।

ঐক্যৰ পাঠ শিকোৱাৰ...

কৰা হয়। পুৱাৰ পৰা মন্দিৰ চৌহদত শংখ-ঘণ্টাৰ পবিত্ৰ ধ্বনি, হোম-যজ্ঞৰ সুবাস আৰু শতাধিক ভক্তৰ 'হৰ হৰ মহাদেৱ' ধ্বনিৰে মুখৰিত হৈ পৰে ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত কলি আই থান চৌহদ। নতুন ডাঙৰীয়া থানৰ অন্তৰ্ভাগত ডাঙৰীয়াৰ প্ৰাণ প্ৰতিষ্ঠা কৰি মাংগলিক পৰিৱেশত আনুষ্ঠানিকভাৱে ভক্তসকলৰ বাবে মুকলি কৰা হয়। বৈদিক প্ৰথা অনুসৰি মন্দিৰৰ প্ৰাণ-প্ৰতিষ্ঠা তথা ডাঙৰীয়া থানৰ যাগ-যজ্ঞৰ মাধ্যমেৰে পুৰা বৈদিক মন্ত্ৰোচ্চাৰণেৰে ডাঙৰীয়া থানৰ প্ৰাণ-প্ৰতিষ্ঠা সম্পন্ন কৰা হয়। এই ঐতিহাসিক ক্ষণত মুখ্য অতিথি হিচাপে উপস্থিত থাকি পৰিচালনা সমিতিৰ সদস্যসকলৰ স'তে মত বিনিময় কৰি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— আজিৰ দিনটো ডিব্ৰুগড়ৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। ই এক শিল-বালি, চিমেণ্টৰ গাঁথনি নহয়, ই হ'ল সমগ্ৰ মানৱ সমাজখনৰ একতা, নিষ্ঠা আৰু উমৈহতীয়া বিশ্বাসৰ এক জীৱন্ত প্ৰতীক। মানুহৰ মন আৰু লক্ষ্য থাকিলে দান-বৰঙনিৰে আধ্যাত্মিক ঐতিহাসিক কীৰ্তিস্তম্ভ গঢ়ি তুলিব পাৰি সেয়া আইথান পৰিচালনা সমিতিয়ে কৰি দেখুৱালে বুলি তেওঁ কয়। ড° শইকীয়াই কয়— পৰিচালনা সমিতিৰ নিঃস্বাৰ্থ ত্যাগ, আধ্যাত্মিকতা আৰু ভগৱানৰ প্ৰতি থকা অগাধ বিশ্বাস গঢ়ি তোলাৰ ক্ষেত্ৰত ইয়াতকৈ সুন্দৰ আৰু পবিত্ৰ উদাহৰণ আন কোনো থাকিব নোৱাৰে। মহাদেৱ শিৱ হ'ল ত্যাগ, সংহাৰ আৰু নৱ সৃষ্টিৰ প্ৰতীক। হোম-যজ্ঞৰ জুইত আহুতি দিয়াৰ দৰে এই থানখনে সমাজৰ প্ৰতিজনৰ মাজত ভেদভাৱ আৰু অহংকাৰ, নেতিবাচক চিন্তা বিসৰ্জন দিব বুলিও তেওঁ কয়। তেওঁ কয়— এই মন্দিৰ, থান কেৱল পূজা কৰাৰ স্থান হৈ নাথাকে, ই যেন নতুন প্ৰজন্মক সংস্কৃতি, মানৱতা আৰু ঐক্যৰ পাঠ শিকোৱা এক বিখ্যাত আধ্যাত্মিক কেন্দ্ৰ হৈ পৰে। মন্দিৰ মুকলিৰ পাছতেই বিশ্ব শান্তি আৰু সমাজৰ কল্যাণৰ অৰ্থে আয়োজিত মহাৰুদ্ৰ যজ্ঞত বহু ভক্তই আহুতি প্ৰদান কৰে। মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি ভীমকান্ত সন্দিকৈ, যুটীয়া সম্পাদক অঞ্জন চেতিয়া, প্ৰবীণ বৰা, উপ-সভাপতি অঞ্জন গগৈ, ধ্ৰুৱ সন্দিকৈ, সদানন্দ গগৈ, সহকাৰী সম্পাদক কুশল শইকীয়াই জানিবলৈ দিয়া মতে, প্ৰতিটো ইটাৰ পৰা আৰম্ভ কৰি মন্দিৰৰ চূড়ালৈকে প্ৰতিটো অংশতেই ভক্তপ্ৰাণ ৰাইজৰ অৱদান জড়িত হৈ আছে। ডিব্ৰুগড়ৰ পুৰোহিত অনুপ শৰ্মাই প্ৰায় পাঁচ ঘণ্টা যাগ-যজ্ঞ, মন্ত্ৰপাঠ কৰি, বৈদিক পৰম্পৰা মানি ঐতিহাসিক থান তথা মন্দিৰ মুকলি কৰে। অনুষ্ঠানত মন্দিৰৰ ওপৰভাগৰ কলহ আৰু ত্ৰিশূল দান আগবঢ়োৱা ডিব্ৰুগড় গড়কাপ্তানী বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা ৰিজু গগৈ, বিশিষ্ট শিল্পী জিতেন দাস, ৰুবী গগৈ সন্দিকৈ, বিশিষ্ট সমাজকৰ্মী ৰঞ্জিত বৰুৱা, চিৰঞ্জীৱ ঘৰফলীয়া, প্ৰীতি ঘৰফলীয়াকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

অধ
১
জৰিকা
শ্ৰদ্ধাৰ্ঘ্য
ন্দুত
পাৰাপাৰ
ত